**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

অহা ৩ ডিচেম্বৰত আৰক্ষীৰ উপ-পৰিদৰ্শক, কনিষ্টবল, কামাণ্ডোৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে ঘোষণা কৰে। গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত এই নিযুক্তি পত্ৰসমূহ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে কয়, যে এ ডি আৰ ইত উত্তীৰ্ণ প্ৰাৰ্থীসকলো শীঘ্ৰেই নিযুক্তি পত্ৰ প্ৰদান কৰিব। মেট্ৰিকৰ পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ্থে প্ৰতিমাহে তেওঁলোকক ৩০০ টকাকৈ প্ৰদানৰ প্ৰক্ৰিয়া ২৮ নৱেম্বৰত আৰম্ভ হ'ব। তদুপৰি, ১২ ডিচেম্বৰৰ পৰা বি টি আৰৰ লোকসকলে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যৰ ৬টা জনগোষ্ঠীক জনজাতিকৰণৰ মৰ্যাদা প্ৰদান কৰাৰ প্ৰস্তাৱৰ সৈতে সম্পৰ্কিত মন্ত্ৰীগোটৰ প্ৰতিবেদনত কালি মন্ত্ৰীসভাৰ বৈঠকত অনুমোদন জনোৱা হয়। ভৈয়াম জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ অধ্যক্ষতাত গঠিত সমিতিয়ে প্ৰস্তুত কৰা প্ৰতিবেদনখন কালি ৰাজ্যিক মন্ত্ৰীসভাই গ্ৰহণ কৰে। বিধানসভাত আজি এই প্ৰতিবেদন দাখিল কৰাৰ পাছত ৰাজ্য চৰকাৰে গৃহ মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। তেওঁ এই প্ৰতিবেদনখনে ৬টা জনগোষ্ঠীৰ আশা-আকাংক্ষাক প্ৰতিনিধিত্ব কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

সমগ্ৰ শিক্ষা সোণাৰী শিক্ষা খণ্ডৰ উদ্যোগত কালি চৰাইদেউ জিলাৰ কচুমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ শিক্ষণ সামগ্ৰী প্ৰদৰ্শন আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ লক্ষ্য অনুসৰি প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মান উন্নত কৰাৰ বাবে শিক্ষকসকলৰ মাজত সৃষ্টিশীলতা আৰু নতুনত্বক উদগণি যোগোৱাৰ উদ্দেশ্যেৰে এই প্ৰতিযোগিতাখন আয়োজন কৰা হয়। প্ৰতিযোগিতাখন মাহমৰা সমজিলাৰ আয়ুক্ত বানছেংফা বৰুৱাই আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰতিযোগিতাখনত সোণাৰী শিক্ষা খণ্ডৰ অধীনৰ ৪৩টা ক্লাষ্টাৰৰ বিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উদ্যোগত জিলা আইন সেৱা প্ৰাধিকৰণ আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিশ্ববিদ্যালয়খনৰ স্নাতকোত্তৰ গোটৰ সহযোগত কালি ড০ ইন্দিৰা মিৰি সভাকক্ষত দেশৰ ৭৬সংখ্যক সংবিধান দিৱস পালন কৰা হয়। বিশ্ববিদ্যালয়খনৰ উপাচায্য ড০ জিতেন হাজৰিকাই উদ্বোধন কৰা এই দিৱসত পঞ্জীয়ক

ড০ পৰমানন্দ সোণোৱালে প্ৰস্তাৱনা পাঠ কৰোৱায়। এই দিৱসৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়।

০০০০০০

বিগত চাৰে চাৰি বছৰত ৰাজ্যত নতুনকৈ এহেজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰা হৈছে। অসম বিধানসভাৰ চলিত শীতকালীন অধিৱেশনৰ কালিৰ প্ৰশ্নোত্তৰ ঘণ্টাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত সদনত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই এই তথ্য প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজ্যৰ মথাউৰিৰ প্ৰয়োজন থকা ১,১০০ৰ পৰা ১,১৫০ কিলোমিটাৰ দৈৰ্ঘ্যজোৰা অঞ্চলত মথাউৰি নাছিল। চলিত বিত্তীয় বৰ্ষতে আন ৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণৰ বাবে পুঁজি আৱণ্টন দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰথমবাৰৰ বাবে ৰাজ্যত ১,১০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ পকীকৰণ কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে সদনৰ দৃষ্টিগোচৰ কৰে। ৰাজ্যৰ বান নিয়ন্ত্ৰণৰ স্বাৰ্থত ৰাজ্যত ক্ৰমেও ৯টা জলাশয় খননৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰ্যায়লে প্ৰথম পৰ্যায়ত ৬৯৫ কোটি টকা আৱণ্টন দিছে। সেই মৰ্মে শীঘ্ৰেই ইয়াৰ বাবে প্ৰয়োজনীয় নিবিদা আহ্বান কৰা হ'ব বুলিও সদনত মন্ত্ৰী পীযূষ হাজৰিকাই জনায়।

০০০০০০

সমাগত ৰাজ্য বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে অহা পহিলা ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি এক ডিচেম্বৰৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজিৰ ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

০০০০০০

সমাপ্ত